

**শীতে শৰীৰৰ ছালখনক শুষ্ক কৰি তুলি বৰকৈ আমনি নকৰেনে? যুগ-যুগ ধৰি চলি থকা শোষণ-নিষ্পেষণৰ ইতিহাসে আপোনাৰ ছালখন বাৰু এতিয়ালৈও ডাঠ কৰি তুলিব পৰা নাইনে? ৰাজনীতিকৰ ভুৱা প্ৰতিশ্ৰুতি, শিল্পী-সাহিত্যিকৰ আপোনালোকৰ দুখবোৰক লৈ টোকা ঘঁৰিয়ালৰ চকুপানীবোৰে আপোনালোকৰ ছালবোৰ গঁড়ৰ ছালৰ দৰে কঠিন কৰি তোলা নাইনে? সময়ৰ নিষ্ঠুৰতাই চমতাৰ কোব হৈ আপোনালোকৰ ছালবোৰত ইতিমধ্যে দাগ কাটি থৈছেই। ছালৰ সেই ফাটবোৰ ঢাকিবলৈ আপোনালোকক জাতিৰ নামত, ধৰ্মৰ নামত, পূৰ্বজন্মৰ কৰ্মফলৰ নামত অপমানৰ যি প্ৰলেপ সঘনাই দি থকা হয় সেয়া বাৰু যথেষ্ট নহয় নেকি?...**

# কামিহাড় জিলিকা শ্ৰেণীটোৰ বাবে উপহাস শীত

◆ **জিতুমণি পাঠক**

**আ**কৌ শীত আহিল। এইবাৰ বাৰু আপুনি শীতত কি সাজ পৰিধান কৰিব? ৰ'ব, আপুনি বাৰু বুকুৰ কামিহাড় জিলিকি থকা অন্ন-বস্ত্ৰ-বাসস্থানহীন শ্ৰেণীটোক প্ৰতিনিধিত্ব কৰিছে নেকি! যদি
কৰিছে আপোনাক এই প্ৰশ্ন সোধা
অৰ্থহীন। আপোনাৰ পেটৰ ভিতৰত
জ্বলি থকা ক্ষুধাৰ জুইকুৰাই, নহ'লে
শতিকাজোৰা অৱজ্ঞা-অৱমাননাৰ
জুইকুৰাই আপোনাক আন
বছৰবোৰৰ দৰে এইবাৰো উত্তাপিত
কৰি ৰাখিব। আপোনালোকক এই
আপাহতে জনাবলৈ পাই সুখী
হৈছো যে হৃদয়ৰ ভিতৰত জ্বলি থকা
আপোনাৰ এই অক্ষয় অগ্নিকুণ্ডটিক
নিৰ্বাপিত কৰিব পৰাকৈ কোনো
সংস্থা, ৰাজনৈতিক দল বা কোনো
যুগপুৰুষৰ আবিৰ্ভাৱ হোৱা নাই।
তদুপৰি আপোনালোকৰ মাজৰে
কোনো কোনো সৌভাগ্যজনৰ
কপালত নিৰ্বাচনী কম্বল বা সস্তীয়া
বিদেশী সুৰাও যুটি যাব পাৰে।
সেয়েহে আশা কৰিব পাৰি যে
এইবাৰো আপোনাৰ শীতৰ
দিনকেইটা খুব আৰামেৰেই পাৰ হৈ
যাব।

**শীতৰ দিনৰ পৰিচৰ্যা :** শীতে
শৰীৰৰ ছালখনক শুষ্ক কৰি তুলি
বৰকৈ আমনি নকৰেনে? যুগ-যুগ
ধৰি চলি থকা শোষণ-নিষ্পেষণৰ
ইতিহাসে আপোনাৰ ছালখন বাৰু
এতিয়ালৈও ডাঠ কৰি তুলিব পৰা
নাইনে? ৰাজনীতিকৰ ভুৱা
প্ৰতিশ্ৰুতি, শিল্পী-সাহিত্যিকৰ
আপোনালোকৰ দুখবোৰক লৈ
টোকা ঘঁৰিয়ালৰ চকুপানীবোৰে
আপোনালোকৰ ছালবোৰ গঁড়ৰ
ছালৰ দৰে কঠিন কৰি তোলা
নাইনে? সময়ৰ নিষ্ঠুৰতাই চামতাৰ
কোব হৈ আপোনালোকৰ
...ধ্য দাগ কাটি

থৈছেই। ছালৰ সেই ফাটবোৰ ঢাকিবলৈ আপোন্যলোকক জাতিৰ নামত, ধৰ্মৰ নামত, পূৰ্বজন্মৰ কৰ্মফলৰ নামত অপমানৰ যি প্ৰলেপ সঘনাই দি থকা হয় সেয়া বাৰু যথেষ্ট নহয় নেকি? মই নিশ্চিত যে সেইবোৰে আপোনাৰ ছালখনক এনে এক সুৰক্ষা প্ৰদান কৰি আছে যে এক হিমযুগকো

আপুনি আজি প্ৰত্যাহ্বান জনাব পাৰে। এই ঋতু পৰিৱৰ্তনক লৈ আপুনি অনাহকত দুঃচিন্তিত হোৱাৰ প্ৰয়োজন নাই।

**শীতত ল'ব লগা সাৱধানতা :** গ্ৰীষ্মৰ প্ৰখৰ উত্তাপৰ পৰা শীতলৈ গতি কৰাৰ সময়ত জলবায়ুত যি পৰিৱৰ্তনৰ সূচনা হয় সি আমাৰ দেহত প্ৰতিকূল প্ৰভাৱ পেলাব

পাৰে। সেয়েহে শীতৰ আগমনৰ লগে লগে আমি কিছু আগতীয়া সাৱধানতা লোৱা উচিত। নাই... নাই, আপোনাক উদ্দেশ্যি মই কথাখিনি কোৱা নাই। আপুনি আৰু কি সাৱধানতা ল'ব? জাৰেই হওক বা জহেই হওক, আপোনাৰ গাত ওলমি থকা সাতামপুৰুষীয়া ৰোগ-ব্যাধিবোৰে জানো আপোনাক

কেতিয়াবা ৰেহাই দিছে? চৰকাৰী চিকিৎসালয়ৰ বিনামূলীয়া ঔষধবোৰে আপোনাক মৃত্যুৰ শীতৰ কোলাত শুৱাই নিদিয়ালৈকে জীয়াই থকাৰ বাবে প্ৰয়োজন হোৱা উত্তাপখিনি আপোনাৰ গাত থাকিবই। অ' আপুনি চিন্তা কৰিছে এইবাৰ যদি শীতৰ প্ৰকোপ হঠাতে বহুত বেছি বৃদ্ধি পায়। কিয়, বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ যি কুৰা জুই জ্বলি আছে সিয়ে আপোনাৰ শৰীৰটোক উষ্ণ কৰি ৰাখিবলৈ যথেষ্ট নহয় নে? তদুপৰি, শাসনত দেখোন আপুনি নিৰ্বাচিত কৰি থোৱা চৰকাৰ এখন আছেই। আপোনালোকক শীতে দিব পৰা কষ্টখিনিৰ কথা অনুভৱ কৰি তেওঁলোকে হিংসাৰ জুই, সাম্প্ৰদায়িকতাৰ জুইবোৰ জ্বলাই থাকিবই। মুঠৰ ওপৰত, এই শীতৰ টিপছ আপোনাৰ বাবে একেবাৰে নহয়। মনত ৰাখিব, মৃত্যুৱে তাৰ শীতল কোলাত শুৱাই নিদিয়ালৈকে আপোনাৰ শৰীৰটো উষ্ণ কৰি ৰাখিবলৈ আপোনাৰ চৌদিশে অলেখ সাধন মজুত হৈ আছে। গতিকে আপোনাৰ এই অনাহক হৈ-চৈবোৰ কিন্তু সঁচাকৈয়ে বৰ আমনিদায়ক।

*ফোন : ৯৮৫৪০-১৮১১৭*